চন ■ DAINIK AGRADOOT • Guwahati • Wednesday 29 May 2024 মূল্য ঃ ৯.০০ টকা

# দিছপুৰ মহাবিদ্যালয়ত বুৰঞ্জী বিভাগৰ সহযোগী অধ্যাপিকাৰ বিদায় সভা




গুৱাহাটী, ২৮ মে'ঃ দিছপুৰ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ সহযোগী অধ্যাপিকা তথা প্ৰাক্তন মুৰব্বী নাজনীন আৰা ৰহমানক বিদায় জনোৱাৰ উদ্দেশ্যে আজি মহাবিদ্যালয়খনত এখন সভা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ শিক্ষকবৃন্দ, কৰ্মচাৰী তথা ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ উপস্থিতিত এই সভাখনৰ সভাপতিত্ব কৰে দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই। ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ধৰিত্ৰী ঠাকুৰীয়াই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। অনুষ্ঠানৰ কেন্দ্ৰবিন্দু স্বৰূপ নাজনীন আৰা ৰহমানে ভাষণৰ প্ৰসংগত নাৰী সবলীকৰণৰ উদাহৰণসহ মহাবিদ্যালয়ৰ সৈতে জড়িত স্মৃতি ৰোমন্থণ কৰে। শিক্ষকৰ একাষাৰ স্বৰূপে ড° জ্যোতিষ গোস্বামী, ৰাতুল বৰা, অজিৎ প্ৰসাদ শৰ্মা, ড° সঞ্জীৱ শৰ্মা আৰু ছাৰ্লিন ইংজাপিয়ে স্মৃতি ৰোমন্থণ কৰে। কৰ্মচাৰীসকলৰ তৰফৰ পৰা ইন্দিৰা গগৈয়েও বক্তব্য আগবঢ়ায়। এই বিদায় সভাত নাজনীন আৰা ৰহমানলৈ সন্মান সহকাৰে এখন প্ৰশস্তি পত্ৰ, শৰাই, বস্ত্ৰ আৰু কিতাপৰ টোপোলা আগবঢ়োৱা হয়। বিদায় সভাখনৰ সভাপতিৰ দুৱাষাৰত অধ্যক্ষ ড° বৰাই তিনিটা দশকজুৰি দান-প্ৰতিদানৰ মাজেৰে জীৱনৰ এছোৱা সময় মহাবিদ্যালয়ৰ স্বাৰ্থত উৎসৰ্গা কৰা ৰহমানক শুভেচ্ছা জনায়। ৰহমানৰ কৰ্মজীৱনৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি আয়োজিত এই বিদায় সভাখনৰ শেষত শলাগৰ শৰাই জ্ঞাপন কৰে বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক ৰাতুল বৰাই।